বৰো আৰু বিপুল দাসো উপস্থিত আছিল।

22/06/2026 আমাৰ অসম

# যোৰহাট মহাবিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদযাপন

যোৰহাট, ২১ জুন ঃ সমগ্ৰ ৰাজ্যৰ লগতে যোৰহাট মহাবিদ্যালয়তো বিভিন্ন কাৰ্যসূচীৰে 'বিষ্ণুপ্ৰসাদ ৰাভা দিৱস' উদযাপন কৰা হয়। দিনজোৰা এই কাৰ্যসূচীৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সমাজতত্ত্ব আৰু দৰ্শন বিভাগৰ উদ্যোগত শিক্ষাৰ্থীসকলৰ মাজত কেইবাটাও বৌদ্ধিক অনুষ্ঠান অনুষ্ঠিত হয়। ৰাভা দিৱসৰ প্ৰাক-মুহূৰ্তত সমাজতত্ত্ব বিভাগৰ উদ্যোগত পঞ্চম যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিষ্ণু ৰাভাৰ গীত "ব'ল ব'ল ব'ল ব'ল, কৃষক শক্তি দল"ত সমাজ দৰ্শন ঃ এক সমাজতাত্ত্বিক বিশ্লেষণ' শীৰ্ষক এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ সমান্তৰালকৈ দৰ্শন আৰু শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত তথা আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু এনএছএছৰ সহযোগত 'বিষ্ণুৰাভাৰ দৰ্শন' বিষয়ক এখনি থলীতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰি শিক্ষাৰ্থীসকলৰ মাজত ৰাভাৰ আদৰ্শক প্ৰসাৰিত কৰাৰ প্ৰয়াস কৰা হয়। এই বৌদ্ধিক কাৰ্যসূচীসমূহৰ পাছতেই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত 'পুলকজ্যোতি শৰ্মা স্মাৰক কক্ষ'ত মূল সভাখন অনুষ্ঠিত হয়। অনুষ্ঠানত মহান শিল্পীজনৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই। অধ্যাপিকা ড° ঊষামণি কাকতিয়ে আঁত ধৰা সভাখন অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা এটি সমবেত বিষ্ণু-সংগীতেৰে আৰম্ভ হয়। অনুষ্ঠানত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক স্মৰণ কৰি দিৱসৰ উদ্বোধনী ভাষণ আগবঢ়ায় অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। ইয়াৰ পাছতে বিশিষ্ট বিজ্ঞানী তথা কবি ড° পৰাণ বৰুৱাই বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ কেইটামান বিক্ষিপ্ত ঘটনাৰ আধাৰত তেওঁৰ মহত্ব আৰু প্ৰাসংগিকতা সম্পৰ্কত এটি চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ মুখ্য বক্তা, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° বীণাপাণি দেৱী কটকীয়ে 'বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ আৰু নৱপ্ৰজন্মৰ বাবে ইয়াৰ প্ৰাসংগিকতা' শীৰ্ষক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ উৎপল দত্তই বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগীত সাধনাৰ দিশটোক প্ৰতিফলিত কৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথি ড° স্মৃতিৰেখা বৰুৱা আৰু ছাত্ৰ বিনোদ শইকীয়াই এটাকৈ বিষ্ণু-সংগীত পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সংগীত পৰিৱেশনৰ পাছতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ এখনি ছবি অংকন কৰা তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ কুনাল দে'ক উদ্যোক্তাসকলে গ্ৰন্থৰ উপহাৰ প্ৰদান কৰে। মহাবিদ্যালয়ৰ বহু সংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ শেষত অধ্যাপক ড° তৰুণ লয়িঙে শলাগৰ শৰাই আগবঢ়ায়।